**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৮/২০২০**

## হাউলীৰ শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

## ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ অনুশাসন, নিয়মানুৱৰ্ত্তীতা, শৃংখলাবদ্ধতা মানি চলি কঠোৰ অধ্যয়নত ব্ৰতী হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

## কেৱল আৱেগিত ভাৱে কথা ক'লে মাটি, ভেটি, কৃষ্টি-সংস্কৃতি ৰক্ষা নপৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ জানুৱাৰী ঃ** 'একবিংশ শতিকাৰ এই প্ৰতিযোগিতামুখী বিশ্বত নিজৰ যোগ্যতা আৰু দক্ষতা প্ৰদৰ্শন কৰিববৈলে হ'লে ছাত্ৰ-ছাত্ৰীসকলে কঠোৰ অনুশাসন, নিয়মানুৱৰ্ত্তীতা, শৃংখলাবদ্ধতা মানি চলি কঠোৰ অধ্যয়নত ব্ৰতী হ'ব লাগিব। এই ক্ষেত্ৰত পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে উপযুক্ত শৈক্ষিক পৰিৱেশ সৃষ্টিৰে ছাত্ৰ-ছাত্ৰীসকলক পথ প্ৰদৰ্শন কৰিব লাগিব।' আজি বৰপেটা জিলাৰ হাউলীৰ ঐতিহ্যমণ্ডিত শংকৰদেৱ শিশু নিকেতনৰ ৰূপালী জয়ন্তী উৎসৱত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক সুধাকণ্ঠ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই গুৱাহাটী বিশ্ববিদ্যালয় উদ্বোধন কৰোতে গোৱা গানৰ পংক্তি 'জিলিকাব লুইতৰে পাৰ'ৰ উদ্ধৃতি দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবেও উপদেশ দিয়ে যাতে তেওঁলোকে সঁচা অৰ্থত লুইতৰ পাৰ জিলিকাই তুলি অসমলৈ গৌৰৱ কঢ়িয়াব পাৰে। আমাৰ ৰাজ্যখনৰে আনন্দৰাম বৰুৱা তথা সাংস্কৃতিক দিশত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই সমগ্ৰ বিশ্বতে নিজৰ যোগ্যতাৰে জিলিকি উঠিবলৈ সক্ষম হৈছিল বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক নিজৰ দক্ষতা আৰু যোগ্যতা প্ৰতিপন্ন কৰি সমগ্ৰ বিশ্বতে অসমৰ নাম উজলাই তোলাৰ সংকল্প ল'বলৈও তেওঁ উপদেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ প্ৰতিগৰাকী জনসাধাৰণৰ মান, স্বাভিমান সুৰক্ষিত কৰণৰ দিশত দায়বদ্ধতাৰে পদক্ষেপ লৈছে। এই ক্ষেত্ৰত কোনো বৈষম্য বৰ্তমানৰ চৰকাৰখনে কৰা নাই বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমখনক ভালদৰে আবিষ্কাৰ কৰিব নোৱাৰিলে বিশ্বত অসমৰ স্থান কেতিয়াও শক্তিশালী কৰিব নোৱাৰি। আমাৰ সফলতা আৰু দুৰ্বলতা সমূহ ভালদৰে পৰ্যালোচনা কৰি আমি প্ৰতিটো পদক্ষেপ যুক্তিসংগত ল'ব লাগিব বুলিও কয়। সেয়েহে বৰ্তমানৰ চৰকাৰখনে 'ডিচক'ভাৰী আসাম' নামৰ এক বাস্তৱ সন্মত কাৰ্যসূচী গ্ৰহণ কৰি এই ক্ষেত্ৰত পদক্ষেপ লৈছে বুলি কয়। খিলঞ্জীয়াৰ ভূমিৰ ওপৰত অধিকাৰ নাথাকিলে খিলঞ্জীয়া জনসাধাৰণৰ কোনো অধিকাৰে সুৰক্ষিত হৈ নাথাকে বুলি উল্লেখ কৰি কেৱল আৱেগিক ভাবে কথা ক'লে মাটি, ভেটি, কৃষ্টি-সংস্কৃতি ৰক্ষা নপৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইমান দিনে ৰাজ্যখনৰ চাৰিলাখ পৰিয়ালৰ ভূমিৰ পট্টা নাছিল বুলি উল্লেখ কৰি বহু সংখ্যক গাঁৱৰ এই ক্ষেত্ৰত জৰীপে হোৱা নাছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ চৰকাৰখনে সেয়েহে খিলঞ্জীয়া ভূমিহীন পৰিয়ালক পাটিৰ পট্টা প্ৰদানৰ দৰে শক্তিশালী পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ শৈক্ষিক দিশত আমূল পৰিৱৰ্তন অনাৰ বাবে 'গুণোৎসৱ'ৰ লেখীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি এই গুণোৎসৱৰ পৰ্যালোচনা কৰোতে বিদ্যালয় সমূহৰ আন্তঃগাঁথনি, শৈক্ষিক

মানদণ্ড ইত্যাদি দিশবোৰ চালি জাৰি চাই এই দিশত বাস্তৱ সন্মত পদক্ষেপ বৰ্তমানৰ চৰকাৰখনে গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পৰ্যালোচনাতে বিগত চৰকাৰৰ দিনত প্ৰায় ৩.৫ লাখ ভুৱা ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজন, নাম ভৰ্ত্তিৰ মাচুলৰ নামত হোৱা কেলেংকাৰীৰ দিশটোও ওলাই পৰিছিল বুলি মুখ্যমন্ত্ৰীয়ে কয়। গুণোৎসৱৰ আয়োজনৰ জৰিয়তে বিদ্যালয় সমূহত থকা আঁসোৱাহ সমূহ দূৰীকৰণৰ বাবে বৰ্তমানৰ চৰকাৰখনে নিষ্ঠা সহকাৰে পদক্ষেপ লৈছে বুলিও তেওঁ কয়।

কোচ ৰজা চণ্ডী বৰুৱাৰ এসময়ৰ ৰাজধানী হিচাপে পৰিচিত হাউলী বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰ স্থান বুলি উল্লেখ কৰি হাউলীৰ শংকৰদেৱ শিশু নিকেতনে বিদ্যায়তনিক দিশত উৎকৰ্ষ সাধনেৰে ভৱিষ্যতেও শৈক্ষিক দিশত সুনাম অৰ্জন কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে প্ৰতিগৰাকী শিশুৰ মাজত যথেষ্ট প্ৰতিভা থাকে বুলি উল্লেখ কৰি এই প্ৰতিভা সমূহ বিকশাই তোলাৰ বাবে শিক্ষানুষ্ঠান সমূহে মুখ্য ভূমিকা পালন কৰিব লাগিব বুলিও কয়। শিক্ষানুষ্ঠান সমূহে অজ্ঞনতাৰ এন্ধাৰ আঁতৰাই শিশুসকলৰ মনত জ্ঞানৰ পোহৰ বিলোৱাৰ কামত ব্ৰতী হ'ব লাগিব বুলিও তেওঁ কয়। 'যি মূলা বাঢ়ে তাৰ দুপাততে চিন' বুলি প্ৰচলিত আপ্ত বাক্যশাৰী ভুল বুলি প্ৰতিপন্ন কৰি জগতগুৰু শ্ৰীমন্ত শংকৰদেৱে বহু পলম কৈ অৰ্থাৎ ১২ বছৰ বয়সতহে বিদ্যালয়লৈ গৈ 'কৰতল কমল ...' শীৰ্ষক আকাৰ, ইকাৰ নোহোৱাকৈ লিখা পদ্য লিখি অফুৰন্ত প্ৰতিভাৰ চানেকি দাঙি ধৰিবলৈ সক্ষম হৈছিল বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে কয়। সেয়েহে শিশু সকলৰ মাজত গভীৰ আত্মবিশ্বাস আৰু প্ৰত্যয়ৰ চেতনা জাগ্ৰত কৰি তেওঁলোকক আগুৱাই নিয়াৰ দিশত সকলোৰে সন্মিলিত প্ৰচেষ্টা ল'ব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা গৰাকীয়ে লগতে কয় যে সৰু ল'ৰা-ছোৱালীৰ মাজত বিদ্যাৰে বিনয় ভাৱৰ উন্মেষ সাধন কৰিব লাগিব। চেষ্টাৰ অসাধ্য একো নাই বুলি উল্লেখ কৰি অৰুণিমা সিনহাই দুখন ভৰি নোহোৱা স্বত্বেও এভাৰেষ্ট শৃংগ জয় কৰি এই ক্ষেত্ৰত উজ্বল উদাহৰণ দাঙি ধৰিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য ৰাখি সৰভোগ সমষ্টিৰ বিধায়ক তথা হাউছ ফেডৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসে শংকৰদেৱ শিশু নিকেতনে ভাৰতীয় সংস্কাৰ তথা ভাৰতীয় কৃষ্টি-সংস্কৃতিৰে শিশুসকলক ভাল শিক্ষা প্ৰদান কৰি আছে বুলিও কয়। ভাষণ প্ৰসংগ তেওঁ বৃহত্তৰ অসমৰ কৃষ্টি-সংস্কৃতিকে ধৰি ৰাজ্যখনৰ সকলোবোৰ দিশ শক্তিশালীকৰণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন বৰ্তমানৰ চৰকাৰখনে লোৱা শক্তিশালী পদক্ষেপ সমূহ অৱলোকনেৰে বক্তব্য আগবঢ়ায়।

অনুষ্ঠানত বৰপেটা বিধান সভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাস, অসম শিশু শিক্ষা সমিতিৰ সাংগঠনিক সম্পাদক হেমন্ত ধিং মজুমদাৰেও শংকৰদেৱ শিশু নিকেতন বিদ্যালয় সমূহৰ বিভিন্ন ইতিবাচক দিশ অৱলোকনেৰে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত জিলা উপায়ুক্ত মুনীন্দ্ৰ নাথ শৰ্মা, উদ্‌যাপন সমিতিৰ সভাপতি নৃপেন্দ্ৰ নাথ দাস, বিশিষ্ট সমাজসেৱক শংকৰ দাস, নগেন চৌধুৰী, হাউলী শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্যকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক বৃহত্তৰ হাউলী অঞ্চলৰ বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানে উষ্ম আদৰণি আৰু সম্বৰ্দ্ধনা জনোৱাৰ উপৰি অসম আন্দোলনৰ হাউলী অঞ্চলৰ শ্বহীদ মধু বৈশ্যৰ পৰিয়ালৰ হৈ শ্বহীদ গৰাকীৰ ভাতৃ চানমোহন বৈশ্যইও সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৯/০১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in